**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-07-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ বাবে অতিৰিক্ত এহেজাৰ ৯২০ কোটি টকাকে ধৰি মুঠ ছহেজাৰ ৫২০ কোটি টকাৰ অনুমোদন দিছে।

২। বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী সন্দৰ্ভত আলোচনাৰ দাবী জনাই বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ উভয় সদনৰ কাম-কাজ কেইবাবাৰো স্থগিত ৰাখিবলগীয়া হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এইমছ্‌ দেওঘৰক প্ৰতিষ্ঠাৰ ছবছৰৰ ভিতৰত ৫ খন জনজাতীয় গাঁৱত উন্নত প্ৰাথমিক স্বাস্থ্য যতন আৰু চিকিৎসা সুবিধা সুনিশ্চিত কৰাৰ বাবে প্ৰশংসা কৰিছে।

৪। পানামাৰ বৈদেশিক পৰিক্ৰমা উপ মন্ত্ৰী কাৰ্লোচ আৰ্টুৰো হয়ছ্‌ আৰু বিদেশ মন্ত্ৰ্যালয়ৰ পশ্চিম মণ্ডলৰ সচিব তন্ময়া লাল আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্য্যায়ৰ বৈঠকত মিলিত হয়।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত এণ্ডাৰছন তেণ্ডুলকাৰ টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি অ'ভেলত আৰম্ভ হৈছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় আঁচনি প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ বাবে অতিৰিক্ত এহেজাৰ ৯২০ কোটি টকাকে ধৰি মুঠ ছহেজাৰ ৫২০ কোটি টকাৰ অনুমোদন দিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে অনুমোদন জনোৱা এই ধনৰাশিৰে সংহত শীতলীকৰণ আৰু মূল্য সংযোজিত আন্তঃগাঁথনিৰ অধীনত এহেজাৰ কোটি টকা ব্যয় সাপেক্ষ ৫০ টা বিভিন্ন খাদ্য সামগ্ৰীৰ প্ৰসংস্কৰণ গোট নিৰ্মাণ কৰা হ'ব। খাদ্য সুৰক্ষা আৰু মানদণ্ড নিশ্চিত আন্তঃগাঁথনিৰ অধীনত ১০০ টা খাদ্য-সামগ্ৰীৰ পৰীক্ষাগাৰো স্থাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ অধীনত ৯২০ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনিও ৰূপায়ণ কৰা হ'ব। শীতলীকৰণ ভঁৰালৰ শ্ৰেণী আৰু মূল্য সংযোজিত আন্তঃগাঁথনিয়ে এই আঁচনি ৰূপায়ণ অধিক ত্বৰান্বিত কৰিব। এনে আন্তঃগাঁথনিৰ বাবে আগ্ৰহী সমগ্ৰ দেশৰ যোগ্য প্ৰতিষ্ঠানসমূহক ইয়াৰ বাবে প্ৰস্তাৱ দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে। চৰকাৰী নীতি-নিৰ্দেশনাৰ অধীনত প্ৰস্তাৱ দাখিল কৰাসকলৰ মাজৰ পৰা বাছনি কৰি যোগ্য প্ৰতিষ্ঠনসমূহক অনুমোদন জনোৱা হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীসভাই লগতে ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমৰ বাবেও ২০২৫-২৬ বৰ্ষৰ পৰা ২০২৮-২৯ বৰ্ষলৈ দুহেজাৰ কোটি টকাত অনুমোদন জনাইছে। এই অনুমোদনৰ ফলত অনাগত চাৰি বছৰত ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমে মুকলি বজাৰৰ পৰা ২০ হাজাৰ কোটিৰো অধিক টকা অৰ্জন কৰিবলৈ সক্ষম হ'ব। এই পুঁজিৰ অধীনত সমবায় খণ্ডৰ ভালেমান নতুন প্ৰকল্প সংবৰ্ধন কৰিবলৈ সক্ষম হোৱাৰ লগতে ঋণ প্ৰদানতো সহায় হ'ব। বিত্তীয় পৰিক্ৰমাৰ কেবিনেট সমিতিয়ে মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, পশ্চিমবঙ্গ, বিহাৰ, ওড়িশা আৰু ঝাৰখণ্ডৰ ১৩ খন জিলাৰ ৫৭৬ কিলোমিটাৰৰো অধিক ৰে'লপথৰ সম্প্ৰসাৰণৰ বাবে অনুমোদন জনায়।

ooooo

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী সন্দৰ্ভত আলোচনাৰ দাবী জনাই বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ উভয় সদনৰ কাম-কাজ কেইবাবাৰো স্থগিত ৰাখিবলগীয়া হয়। দিনটোৰ বাবে সদন স্থগিত ঘোষণা হোৱাৰ পূৰ্বে লোকসভাৰ কাম-কাজ দুবাৰকৈ আৰু ৰাজ্যসভাৰ কাম-কাজ তিনিবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। দ্বিতীয়বাৰ স্থগিত হোৱাৰ পাছত বিয়লি ৪ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে ভাৰতীয় সামগ্ৰীৰ ওপৰত আমেৰিকাই শেহতীয়াকৈ ঘোষণা কৰা ২৫ শতাংশ শুল্কৰ বিষয়টো চৰকাৰে নিৰীক্ষণ কৰি আছে। তেওঁ কয়, যে ৰাষ্ট্ৰৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে চৰকাৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব আৰু এই সন্দৰ্ভত ইতিমধ্যে কৃষক, উদ্যোগপতি আদিকে ধৰি অংশীদাৰসকলৰ সৈতে আলোচনা কৰি থকা হৈছে। ইয়াৰ পাছত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই শূণ্য কাল চলাই নিবলৈ চেষ্টা চলাই যদিও বিৰোধীৰ প্ৰতিবাদৰ ফলত তেওঁৰ প্ৰচেষ্টা ব্যৰ্থ হয় আৰু অৱশেষত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে, দিনৰ ২ বজাত নিম্ন সদন মিলিত হোৱাৰ সময়তো বিৰোধীয়ে তেওঁলোকৰ প্ৰতিবাদ অব্যাহত ৰখাৰ ফলত সদনৰ কাম-কাজ বিয়লি চাৰি বজালৈ স্থগিত ৰখা হয়। আজি দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা নিছাৰ উপগ্ৰহৰ সফল উৎক্ষেপণৰ বাবে বিজ্ঞানীসকলক অভিনন্দন জনায়। ইয়াৰ পাছতেই অধ্যক্ষই প্ৰশ্নোত্তৰ কাল আৰম্ভ কৰাৰ প্ৰয়াস কৰে যদিও বিৰোধী সদস্যসকলে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধন উঠাই লোৱাৰ দাবীত বিভিন্ন শ্লোগান আদিৰে পৰিস্থিতি উত্তপ্ত কৰি তোলে। এনে পৰিস্থিতিত অধ্যক্ষই বিৰোধী সদস্যসকলক নিজ নিজ আসনলৈ ঘূৰি গৈ সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াত সহযোগ কৰিবলৈ অনুৰোধ জনায় যদিও তেওঁলোকে প্ৰতিবাদ অব্যাহত ৰখাত সদনৰ কাম-কাজ দিনৰ ২ বজা পৰ্য্যন্ত স্থগিত ৰখা হয়।

ৰাজ্যসভাতো আজি একেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হয়। দিনৰ ২ বজাত ৰাজ্যসভাৰ কাম-কাজ পুনৰ আৰম্ভ হোৱাৰ সময়ত বিৰোধী সদস্যসকলে বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ সাব্যস্ত কৰি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ ফলত ইয়াৰ কাম-কাজ বিয়লি চাৰে চাৰি বজা পৰ্য্যন্ত স্থগিত ৰখা হয়। ইয়াৰ পাছত সদন পুনৰ মিলিত হোৱাৰ সময়ত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰতীয় সামগ্ৰীৰ ওপৰত আমেৰিকাই আৰোপ কৰা শুল্ক সন্দৰ্ভত এটা বিবৃতি দিয়ে যদিও হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে ৰাজ্যসভাৰ কাম-কাজ প্ৰথমবাৰ স্থগিত হোৱাৰ পাছত দিনৰ ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিহাৰৰ ভোটাৰ তালিকা সন্দৰ্ভত আলোচনাৰ দাবী জনাই বিৰোধীয়ে

শ্লোগান আদি দিবলৈ আৰম্ভ কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যসভাৰ নেতা জে পি নাড্ডাই কালি সদনত গৃহ মন্ত্ৰী অমিত শ্বাহে অপাৰেচন সিন্দূৰ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি থকাৰ সময়ত বিৰোধীয়ে সৃষ্টি কৰা পৰিৱেশৰ সমালোচনা কৰে।

পূৰ্বে দিনৰ ১১ বজাত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত সদনে নিছাৰ উপগ্ৰহৰ সফল উৎক্ষেপণৰ বাবে বিজ্ঞানীসকলক অভিনন্দন জনায়। ইয়াৰ পাছত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে শূণ্য কাল চলাই নিবলৈ চেষ্টা চলায় যদিও বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ দিনৰ ১২ বজা পৰ্য্যন্ত ঘোষণা কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এইমছ্ দেওঘৰক প্ৰতিষ্ঠাৰ ছবছৰৰ ভিতৰত ৫ খন জনজাতীয় গাঁৱত উন্নত প্ৰাথমিক স্বাস্থ্য যতন আৰু চিকিৎসা সুবিধা সুনিশ্চিত কৰাৰ বাবে প্ৰশংসা কৰিছে। ৰাষ্ট্ৰপতিগৰাকী আজি ঝাৰখণ্ডৰ দেওঘৰ জিলাৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান দেওঘৰৰ প্ৰথম সমাৱৰ্তনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শ্ৰীমন্তী মুৰ্মুৱে লগতে এইমছ্ দেওঘৰক জনজাতীয় স্বাস্থ্যৰ উৎকৃষ্ট কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ উন্নত স্বাস্থ্য যতনৰ পৰামৰ্শদান আৰু ভিতৰুৱা অঞ্চলসমূহত ড্ৰ'নযোগে ঔষধৰ যোগান ধৰাৰ বাবে প্ৰতিষ্ঠানখনে আগবঢ়োৱা অৱদানক প্ৰশংসা কৰে। তেওঁ প্ৰতিষ্ঠানখনে আনৰ বাবেও উদাহৰণ দাঙি ধৰিছে বুলি অৱগত কৰে। আজিৰ অভিৱৰ্তনত ৫০ শতাংশৰো অধিক মহিলাই সোণৰ পদক অৰ্জন তথা শীৰ্ষ স্থান অধিকাৰ কৰাত ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে ভালেমান ছাত্ৰীয়ে চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে আগবাঢ়ি অহাটো গৌৰৱৰ বিষয় বুলি অভিহিত কৰে। তেওঁ এইমছ্ দেওঘৰক ছাত্ৰ-ছাত্ৰীৰ অনুপাত সমান হোৱাৰ বাবে শুভেচ্ছা জনায়। বহনক্ষম বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে ছাত্ৰ-ছাত্ৰী, ফেকালতি আৰু চিকিৎসাৰ লগত জড়িত আন বৃত্তিধাৰীসকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত দেশৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰাৰ বাবে আহ্বান জনায়।

০০০০০

পানামাৰ বৈদেশিক পৰিক্ৰমা উপ মন্ত্ৰী কাৰ্লোচ আৰ্টুৰো হয়ছ আৰু বিদেশ মন্ত্ৰ্যালয়ৰ পশ্চিম মণ্ডলৰ সচিব তন্ময়া লাল আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্য্যায়ৰ বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি, দুয়োখন দেশে ৰাষ্ট্ৰসংঘৰ বিভিন্ন বিষয় সন্দৰ্ভত গঠনমূলক আলোচনা কৰে। অহা মাহত হ'বলগীয়া ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সফল অধ্যক্ষতাৰ বাবে ভাৰতে পানামাক শুভেচ্ছা জ্ঞাপন কৰে। পানামাৰ উপ বিদেশ মন্ত্ৰীগৰাকীয়ে এই দ্বিপাক্ষিক আলোচনাক ফলপ্ৰসূ বুলি অভিহিত কৰিছে। আকাশবাণীৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত শ্ৰীহয়ছে কয়, যে দুয়োপক্ষই দেশ দুখনৰ মাজৰ পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে।

০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে আজি মিথি নৈৰ পৰিষ্কৰণ কেলেংকাৰীৰ লগত জড়িত থকাৰ অভিযোগত সমগ্ৰ মুম্বাইৰ ৮টা স্থানত তালাচী চলায়। নৈখনৰ পৰা জাৱৰ নিষ্কাষণৰ বাবে ব্ৰিহানমুম্বাই পৌৰ নিগমৰ লগত ভুৱা বুজাবুজিৰ চুক্তি দাখিল কৰা ঠিকাদাৰৰ বিভিন্ন চৌহদত এই অভিযান চলোৱা হয়। বিধি বলবৎকাৰী

সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি, ঠিকাদাৰসকলৰ বিত্তীয় অনিয়ম, ক'লা ধন বৈধকৰণ আৰু জালিয়াতি কৰি তথ্য-পাতি দাখিল কৰা সন্দৰ্ভত সবিশেষ প্ৰমাণ গোটোৱাৰ বাবে তালাচী চলোৱা হয়।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট মেচ আজি অভেলত আৰম্ভ হৈছে। এইখন খেলত ইংলেণ্ডক নেতৃত্ব দিয়া অলি প'পে আজি টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। ভাৰতৰ অপেনাৰদ্বয় য়শস্বী জয়ছৱাল আৰু কে এল ৰাহুলে কম ৰাণতে বিদায় লয়। জয়ছৱালে ২ আৰু ৰাহুলে ১৪ ৰাণ কৰি আউট হয়। বৰষুণৰ বাবে খেলখন বন্ধ ৰাখিবলগীয়া হোৱাত আগতীয়াকৈ ভোজন বিৰতি ঘোষণা কৰা হয়। সেই সময়ত ভাৰতে দুটা উইকেটৰ বিনিময়ত ৭২ ৰাণ সংগ্ৰহ কৰে। সাই সুৰ্দশনে ২৫ আৰু শুভমন গিলে ১৫ ৰাণ কৰি বেট ধৰি আছিল। ভোজন বিৰতিৰ পাছত বৰষুণৰ বাবে খেল এতিয়ালৈকে স্থগিত হৈ আছে। উল্লেখযোগ্য যে এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাত ঘৰুৱা দলটোৱে ২-১ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০

সমাপ্ত